# এজনী অপ্ৰকাশিত গল্প

## পৰাগ কুমাৰ ডেকা

সেইদিনা মোক বন্ধুৱে সুধিলে—জীৱনৰ ৰং কি বাৰু?

মই তপৰাই ক'লোঁ—গণজীৱনৰ ৰংটোতো হ'ল শুকুলা; মন জীৱনৰটোহে কি আছিল জানো! গহীন নীলা বোধহয়।

বন্ধুৱে মোক পিঠিত বজ্ৰনাদ ভুকু এটা বহুৱাই চিঞৰি উঠিল—এক্সেলেণ্ট, ইউ আৰ এ' জিনিয়াছ। তোমাৰ আছে। বুজিছোঁ। সংবেদনশীল মন এটা। আছে। মোৰ কাহিনীটো তুমিহে বুজিবা। তুমিহে বুজিবা মোৰ মুমুৰ্ষু মানসৰ অস্থিৰ অন্তৰ্দ্বন্দ্ব। মোৰ হৃদিগহ্বৰৰ জটিল যন্ত্ৰণা। মোৰ অধিআধ্যাত্মিক আভোকবিহীনতা। মোৰ...

আচ্ছা আচ্ছা, কোৱাঁচোন তোমাৰ কাহিনীটো। মই বন্ধুৰ কথাবোৰৰ একো আঁতি-গুৰি নাপাই খৰধৰকৈ ক'লোঁ। অৱশ্যে এইটো সঁচা যে যোৱা তিনিটা বছৰত মই বন্ধুৰপৰা ভালেখিনি কথাই শিকিছোঁ। মোৰ জীৱনৰ বহুক্ষেত্ৰত বন্ধুৰ প্ৰভাৱ সুস্পষ্ট।

অ'কেই শুনা। এইবুলি বন্ধুৱে নুৰিয়াই লোৱা জৰ্দা পাণখন সোঁহাতৰ

বুঢ়া আঙুলিৰে মুখৰ ভিতৰলৈ ঠেলি দি হাতখন চুৰকৈ মোৰ বেগটোত মচিলে। মই নেদেখাৰ ভাও জুৰিলোঁ।

ঘটনাটো মই তাতে থকাৰেই। ইউনিভাৰ্চিটিত। বন্ধুৱে ক'লে। দিন হ'ল। তিনি-চাৰি বছৰ। এদিন মই পঢ়ি আছোঁ। ৰাতি। বাদাম খাই খাই। এঘাৰটামান বাজিছে। দুদিন পাছত পৰীক্ষা। এম.এছ.ছি. ফাইনেল। মোৰ ৰূমমেটটোৱে আহি সুধিলে—যাবি নেকি? সি আকৌ ইংলিছৰ। মোৰ ৰূমমেটটো। মই বাদামখিনি কিতাপ এখনেৰে ঢাকি সুধিলোঁ ক'ত যাব? আৰে, তই যাব যদি আহনা। সি ক'লে। মিছামিছি হাল্লা নকৰ। এনেই মাথা-ছাথা গৰম হৈ আছে। আৰু সেইখিনি লুকুৱাব নালাগে। নাখাওঁ তোৰ বাদাম। গেছ হৈ আছে।

ওলালোঁ। দুয়োটা। গ'লোঁ। ৰূমমেটটোৰ ডিপাৰ্টমেণ্ট। বৰষুণ বাহিৰত। ধুৰাধাৰ বৰষুণ। ৰূমমেটটোৱে ক'ৰবাৰপৰা ছাতি দুটা যোগাৰ কৰি থৈছিল। ল'লোঁ। সেই দুটা। গ'লোঁ। ইংলিছ ডিপাৰ্টমেণ্ট। পানী। ৰাস্তাত। বিৰাট পানী। ছাইডৰ নলা-চলা ভৰ্ত্তি। পফেছাৰবোৰৰ কোৱাৰ্টাৰ্চ পূৰা ফ্লাডেড্। ৰূমমেটে সেই বৰষুণতো কোনোমতে চিগাৰেট এটা জ্বলালে। কোৱাৰ্টাৰ এটালৈ চাই সি সন্তুষ্টিৰে ক'লে—ইয়াৰ ৰাৱণৰ ঘৰ ডুবিল আজি।

অলপ দূৰ গৈ পালোঁ আমি। গাৰ্লছ হোষ্টেল এটা। তাত অলপ হোৱা দিলোঁ। খিৰিকি এখনৰ তল পাই ৰূমমেটে চিঞৰিলে, গাৰ্লফ্ৰেণ্ডক—কোনোবাই ম'বাইল অন কৰিব লাগে। নহ'লে নিজৰে লচ। চিকাৰৰ ভাগ নাপাব। তাৰ পাছত সি ষ্ট্ৰীট লাইট এটা ভাঙিলে। পাথৰ মাৰি। তাৰ পাছত আকৌ গ'লোঁ। ইংলিছ ডিপাৰ্টমেণ্ট। পালোঁ। গৈ। পাছফাল। ৰূমমেটে তাৰ ম'বাইলৰ টৰ্চটো জ্বলালে। তাৰ পাছত পানীৰ টেংকি এটাত উঠিলে। মোক ক'লে—উঠ। উঠিলোঁ। সি ক'লে চাবি ভালকে। ইয়াৰপৰা পৰি তই ডিকন্স্ট্ৰাক্ট হ'লে ফাটিব মূৰ। এই ম'বাইলটো ধৰ।

এনেকুৱাই। সি। ৰূমমেটটো। ইংলিছৰ মানুহতো। হঠাতে তোমাক এনেকুৱা এষাৰ আলোকসঞ্চাৰী কথা কৈ দিব যে তুমি পাত্তাই নাপাবা। বহুত শিকিছোঁ মই তাৰপৰা।

ধৰিলোঁ। তাৰ ম'বাইলটো। ওপৰতে ভেণ্টিলেটৰ এখন আছিল। খোলা। প্ৰথমতে সি সোমাল। তাৰ পাছত মই। সোমালোঁ। সোমাই দেখো সেইটো এটা টয়লেট। মই বোলো কথাটো কি? ই দেখোন ঘৈণীয়েকক

কিবা চিকাৰৰ কথা কৈছিল। কি চিকাৰ বা ময়েই নহয়তো? কথাটো ভাবি ভয়ো খালোঁ। 'বন্ধুৰ হাতত ছাত্ৰৰ মৃত্যু', 'বন্ধুত্বৰ কৰুণ পৰিণতি'—দি থাকে নহয়। এইচব। মাজে মাজে। ভাবিলোঁ, মই কেতিয়াবা কৰিছিলোঁ নেকি, তাৰ মোৰ ওপৰত গ্ৰাজ থকিয়া কিবা? নাইতো। মনত নপৰিল। বাদামখিনি লুকুৱা? হ'বও পাৰে। হু ন'জ? 'দুটা মাত্ৰ বাদামৰ বাবে বন্ধুত্বৰ..... টয়লেট সমাধি...।'

বন্ধুৰ ইয়াৰ পাছৰ বৰ্ণনাখিনি মই (অলপ কাব্যিক ভাষাত) পেৰাফ্ৰেজিং কৰি দিছোঁ—

সেই শৌচালয়টোৰপৰা ওলাই বন্ধু আৰু বন্ধুৰ ৰূমমেটে এটি প্ৰশস্ত, হীনপ্ৰভ, পকী বুলনিৰে আগবাঢ়িল। সেয়া আছিল বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগ। ঘনে ঘনে বন্ধুৰ মন অজান আশঙ্কাত চমকি উঠিছিল। হয়তো ক'ৰবাত কোনো অনামী নিশাচৰ পখীৰ কৰ্কশ সুৰৰ আৰ্তনাদে হঠাতে ছিন্ন-ভিন্ন কৰি তুলিছিল সেই বৰ্ষাঘন সজল নিশাৰ চৌপাশে বিৰাজিত সনিৰ্বদ্ধ, স্বভাৱাক্ৰান্ত, সূচীচ্যুত শব্দবিহীনতা। বুলনিটোৰ দুয়োপাশে সমান্তৰালভাৱে সজ্জাৱদ্ধ সুনীল দ্বাৰসমূহৰ সমুখেৰে দুয়ো সন্তৰ্পণে আগবাঢ়িবলৈ ধৰিলে। দুয়োৰে অনাহুত, অম্বুসিক্ত পদশব্দই হয়তো অস্থিৰ কৰি তুলিছিল জোন জিলমিল তৰা তিৰবিৰ বৃষ্টি নিবিড় অৱচেতনাৰ গভীৰ গহ্বৰত স্বপ্নমগ্ন সেই প্ৰাচীন জ্ঞানতীৰ্থক। অনতিপলমে তেওঁলোকে গৈ উপস্থিত হ'ল—

সিহঁতৰ পফেছাৰ এটাৰ ৰূমৰ ফ্ৰণ্টত। মানে ৰূমমেটৰ। ইংলিছ ডিপাৰ্টমেণ্টৰ। নামটো ভালকৈ নেদেখিলোঁ। আন্ধাৰ। লাইটটো ৰূমমেটে আগতে ভাঙি থৈছে। মই অলপ সকাহ পালোঁ। ৰিলিফ। বুজিলোঁ। ইয়াৰ চিকাৰটো মই নহয়। আস্ তাৰ পাছত আকৌ এখন ভেণ্টিলেটৰ। এইবাৰ ডাইৰেক্ট পফেছাৰৰ টেবুলৰ ওপৰত। সোমায়েই ৰূমমেটে ডাইৰেক্ট অন কৰিলে। পফেছাৰৰ কম্পিউটাৰটো।

মই তেতিয়াহে বুজিলোঁ কথাটো। এই ইংলিছ ডিপাৰ্টমেণ্টৰ মানুহবোৰ কিন্তু সচ্চাই স্মাৰ্ট দেই। মোৰ সেই কাৰণেই ভাল লাগে ইংলিছৰ মানুহবোৰক। আৰু বিশেষকৈ তেতিয়াৰপৰাই মই মানে ইংলিছৰ মানুহ বুলি ক'লেই একদম বিৰাট হেৰি হৈ যাওঁ।

তাৰ পাছত সি ৰূমমেটটোৱে কিবাকিবি খুচৰিলে। কম্পিউটাৰটোত। পফেছাৰৰ। বহু দেৰি কিবা-কিবি চোৱাৰ পাছত বিৰাট খং উঠিল তাৰ। ধুম্‌কৈ

লাথ এটা মাৰি দিলে। টেবুলখনত। চাল্লা বুঢ়াই বেলেগত ৰাখিছে কুৱেচ্চন পেপাৰবোৰ, সি ক'লে। তাতকৈ মই ৰূমতে থাকি ৰাৱণৰ নোটছ্খিনি মুখস্থ কৰিব পাৰিলোঁ হয়। কিন্তু আহিলোঁৱেই যেতিয়া চাই যাওঁ। কি কি আছে।

এইবুলি কৈ বন্ধুৰ ৰূমমেটে অধ্যাপকগৰাকীৰ মেজৰ দেৰাজসমূহ চলাথ কৰিবলৈ ধৰিলে। বন্ধুৱে তেওঁৰ সঙ্গীক ক'লে—বন্ধু, মনত ৰাখিবা, প্ৰভাতী পখীৰ কলৰৱে দিগন্ত মুখৰিত কৰাৰ পূৰ্বেই, পুৱাৰ সূৰুযৰ কিৰণমালাই সুনীল আকাশত হেঙুলী আবিৰৰ বোল সনাৰ পূৰ্বেই আমি হোষ্টেলাভিমুখী হ'ব লাগিব।

এইবুলি কৈ অলপ বহিলোঁ। মই। কম্পিউটাৰটোৰ আগত। নতুন চকী। চকা লগোৱা। প্লাষ্টিক খোলাই নাই। আমাক হোষ্টেলত কেতিয়াযে দিব এনেকুৱা চকী, মই ভাবিলোঁ। যিহে অৱস্থা আমাৰ চকীৰ। হোষ্টেলৰ। আজিলৈকে কিমানৰ তপিনাত গজাল সোমাল হিচাপ নাই। ইতো খঙতে তাৰ চকীখন ভাঙিয়ে দিলে। মোৰ ৰূমমেটে। এতিয়া বাল্টি এটা উল্টাই লৈ তাতে বহি পঢ়ে—যেতিয়া পঢ়ে।

অলপ পাছত আমনি লাগিল। মোৰ। কম্পিউটাৰটো খুচৰি খুচৰি। একো নাই। মানে আছে কিবাকিবি। কিন্তু বুজি নাপাওঁ। এবাৰ ফ'ল্ডাৰ এটা দেখিলোঁ। 'ষ্ট'ৰিজ' বুলি লিখা। বোলো চাওঁচোন, কিনো ষ্ট'ৰিজ। খুলিলোঁ ফ'ল্ডাৰটো। হঠাতে কোনোবাই কন্দা শুনিলোঁ। চালোঁ। ইফালে সিফালে। স্পীকাৰ-টিকাৰ। নাইতো। চব অফ। ভাবিলোঁ ভুলেই শুনিলোঁ নেকি। ভয়ো লাগিল। এবাৰ ভাবিলোঁ কোনোবা ছোৱালীৰ আত্মা-চাত্মা নহয়তো। ফেনে-চেনে ওলমা। গল্প এটা উলিয়াই পঢ়িলোঁ।

ৰূমমেটে খুচৰি আছিল। কিবিকিবি। ড্ৰয়াৰত। সুধিলে, মোক—ঐ, ৰুমাল আছে নেকি? বস্তু এটা পাইছোঁ ৰহ। এইবুলি দেখালে কিবা এটা। হালধীয়া। ডেনড্ৰাইট এটা। মই ক'লোঁ নাই। ক'ত পাম ৰুমাল? সি বিচাৰি বিচাৰি টয়লেট পেপাৰ অলপ পালে। তাতেই বাকি বাকি ক'লৈ, আঠাখিনি — যোৱাবাৰ আমাৰ ছিনিয়ৰ এটাই হে'ডৰ ড্ৰয়াৰত কি দেখিছিল জান? মালৰ বটল। চাওঁ ৰ। ইয়াৰো ক'ৰবাত কিবা আছে নেকি।

মই ইমান পাত্তা নিদিলোঁ। ৰূমমেটৰ কথাত। প্ৰথম গল্পটো পঢ়ি শেষ হ'ল। বুজি নাপালোঁ। ভালেই লাগিল। কিমান আৰু ৰিয়েকছন সোপাকে পঢ়ি থাকিবা। কেমেষ্ট্ৰিৰ। ভাবিলোঁ আৰু এটা পঢ়োঁ। গল্প। ৰূমমেটৰ ডেনড্ৰাইট

মাৰি হোৱালৈ। এইবুলি ফাইল এটা খুলিলোঁ। লগে লগে মাত দিলে নহয়, গল্পটোৱে—

হাতো নেমেলিবি ফাইলো নুখুলিবি
ক'ৰে ডেকা ল'ৰা তই
ভাষাৰ জালেৰে লিখকে বান্ধিলে
তেজীমলাহে মই।

মই ফ্লেট। ভাবিলোঁ পাল্লে আজি। আজি চেহ্ মই। ভূত। পাপ দিছে সৰস্বতীয়ে। কুৰেচ্চন পেপাৰ চুৰ কৰিবলৈ অহাৰ। ৰুমমেটে তাৰ হাতৰ মুঠিটোত এশোহা মাৰি সুধিলে, কি হ'ল? মই স্পিচ্চলেছ্। মাতেই নোলায়। মুখৰ। সি জুমি চালে। কম্পিউটাৰটোলৈ। ক'লে—উ এইডাল— এইডাল প'ষ্ট মডাৰ্ণ ষ্ট'ৰী।

বন্ধুৰ পূৰ্বৰ মানসিক স্থিতাৱস্থা ঘূৰাই পাবলৈ বেছ কিছু সময় লাগিল। গল্পজনীয়ে কিছুসময় উচুপি উচুপি কান্দিলে, তাৰ পাছত বেদনাসিক্ত মাতেৰে বন্ধুক সম্বোধন কৰি ক'লে—

কোন তুমি? কোন শত আলোকবৰ্ষান্তৰৰ স্ফটিক পথৰ পথিক তুমি? মন মহাসমুদ্ৰ মন্থনৰ হলাহল পান কৰা কোন দগ্ধকণ্ঠ লব্ধযোগী সুধণ্বা সুপুৰুষ তুমি? কিয়েইবা তোমাৰ আগমনৰ উদ্দেশ্য? তুমিয়েই নেকি মোৰ এই বাগ্‌ধাৰাৰ পুতিগন্ধময় পোতাশালৰ পৰিত্ৰাণকৰ্তা? কোৱাঁ, দিয়াঁ মোৰ প্ৰশ্নৰ প্ৰগলভ্ প্ৰত্যুত্তৰ। কৰা, কৰা মোৰ এই যাতনাময় জিজ্ঞাসাৰ নিৰ্বাপণ। ঘটোৱা, ঘটোৱা মোৰ যুগ-যুগান্তৰৰ এই অপেক্ষাৰ অৱসান।

গল্পজনীৰ প্ৰশ্নৰ প্ৰত্যুত্তৰত মোৰ সন্ত্ৰস্ত বন্ধুৱে তেওঁৰ ৰুমমেটলৈ অংগুষ্ঠ টোঁৱাই প্ৰকম্পিত কণ্ঠে উচ্চাৰণ কৰিলে—

ই...ই মোক পেপাৰ চুৰ কৰিব আনিছে।

কথাটো শুনি তাইৰ মুখখন ক'লা পৰি গ'ল। বুজিছা। গল্পজনীৰ। মানে পোহৰ কমি নোহোৱাই গ'ল। স্ক্ৰীণখনৰ। মোৰ বেয়া লাগিল। মনটো। হাজাৰ হওক লিটাৰেচাৰৰ মানুহৰ লগতেই থাকোঁ। দিনটো। দেখিয়েই থাকোঁ। নোট-টোটছ্, জেৰক্স-টেৰক্স। (কিতাপ অৱশ্যে এখনো নাই ৰুমমেটৰ। কিন্তু মাথা থকা মানুহক কিতাপ কিয় লাগে?)

দয়াৰ্দ্ৰ হৃদয়ৰ বন্ধুৱে গল্পজনীৰ বেথাত ব্যথিত হৈ তাইক আশ্বাসবাণী শুনালে—কোৱাঁ সখী, তোমাৰ জ্বালাময় জীৱন-যন্ত্ৰণাৰ কিঞ্চিতো যদি মই

ঘটাব পাৰোঁ উপশম, তেন্তে হ'ব আজি মোৰ এই প্ৰশ্নকাকতাভিষাৰ সিদ্ধকাম।

তাৰ পাছত তাইৰ কথাৰ সুৰেই সলনি হৈ গ'ল। গল্পজনীৰ। হঠাতে কম্পিউটাৰটোত বাঁহীৰ সুৰ এটা বাজি উঠিল। সেইযে ভিচিডি চিনেমাবোৰত দিয়ে। ধৰা ৰাতিপুৱাৰ শ্বট্। চৰাই-টৰাই উৰি গৈছে। কেঁচা ৰাস্তাৰে কোনোবা গাঁৱলীয়া হিৰ'ই চাইকেল চলাই আহিছে। চেলাউৰি থ্ৰে'ডিং কৰা। কাযেৰে মেখেলা-চাদৰ পিন্ধা খিলখিলিয়া কলেজীয়া ছোৱালীয়ে জাক পাতি পাতি পাৰ হৈ গৈছে। বেক্‌গ্ৰাউণ্ডত কোনোবা গায়কে দীঘলীয়া ৰাগ টানিছে, কৰুণ সুৰেৰে—অ' ৰা ৰা ৰে...। তেনেকুৱা মিউজিক। আৰু তাই, গল্পজনীয়ে, নষ্টালজিক টাইপত ক'ব ধৰিলে—

কিমান দিন আগৰ কথা সেয়া, যেতিয়া মই, চিলনীৰ জীয়েক, চম্পাৱতী, পানেশৈ, আমি আটাইবোৰে নাহৰণি গাঁৱৰ পাহৰণি নৈৰ সোণোৱালী ঘাটত বহি সুখ-দুখৰ কথা পাতোঁ; ঠানুৱা সদাগৰৰ কঁহুৱা পাল তৰা ৰূপোৱালী ডিঙাৰে ডিঙি মেলি মেলি চাই আমাৰ গাভৰু মনৰ চেনেহ চেলেঙত বাসনাৰ বুটা বাছোঁ? তেজা, চুটিবাই, ইহঁত তেনেকৈ নাহে। মই দিনৌ বেলি দুপৰত মাহীআয়ে ৰিম'টটো হাতত লৈ পাটীত উঠা মাত্ৰকে লৰি আহি নৈৰ ঘাট পাওঁহি। আমি কেওজনীয়ে কলপতীয়া কলপাতত ৰবাৰ টেঙা, কেঁচা জলকীয়া কাটি লৈ ইজনীয়ে সিজনীৰ মনৰ হাঁচতি মেলি আৰ এচকল সুখৰ তামোল তাৰ এচিকটা দুখৰ ধপাতৰ ভাগ লওঁ। পচুৱৈ নোহোৱা সময়খিনি আমি তেনেকৈয়ে পাৰ কৰোঁ। আৰু আজিকালিতো সৰু সৰু ল'ৰা-ছোৱালীবোৰে আমাক নিবিচাৰেই। বুঢ়াবোৰেহে বেছিকৈ বিচাৰে। সিহঁতে আক' বিচাৰে কে'লে'—আৰ্টিকল লিখিবলে, আৰু কিবা বোলেনে নতুন শৈলীৰে আমাৰ সংৰচনা কৰিবলে। অলপতে কোবতো আৰু চৰিছে। মাজতে ভালেকেইখন আলোচনীত আমাৰ কেইজনীমানৰ ওপৰত গল্প-কবিতা কেইটামান ওলাইছিল। চিলনীৰ জীয়েকে আনি আমাক দেখুৱাইছিল। তাইৰ মাকে সেই আলোচনীবোৰ ক'ৰবাৰপৰা চুৰ কৰি আনি দিয়ে। আমি কেওজনীয়ে বেৰি-কুঢ়ি, উধাই-মুধাই পঢ়িলোঁহে পঢ়িলোঁ, পিচে আমাৰ নামকেইটাৰ বাহিৰে আন একোৰে তলা-নলা নাপালোঁ। আমাৰ ওপৰত গল্প ওলোৱা দেখি বান্দৰ-শিয়ালৰ মুখকেইখন এপাচি এপাচি হ'ল। আমাক দেখিলে সিহঁতে দূৰতে মুখ বেকেটাই আঁতৰি যায়।

তেনেকৈ এদিন আমি গোটেই কেইজনী বহি থাকোঁতে আমাৰ

এই ছাৰ আহি ওলালহি ক'ৰবাৰপৰা। ইংলিছ ডিপাৰ্টমেণ্টৰ। ছাৰে বোলে তেজী, তোমাৰ কাৰণে মোৰ এটা অফাৰ আছে। মই তোমাক লৈ এটা গল্প লিখিম—নতুন শৈলীৰ। আগতে কোনেও নিলিখা ধৰণৰ। তোমাৰ কাহিনীটোৰ পুনৰ্ব্যাখ্যাৰ প্ৰয়োজন।

তাৰ পাছত তেওঁ মোক লৈ গল্প লিখা আৰম্ভ কৰিলে। তেওঁ মোৰ কাহিনীটোত নতুন নতুন ঢেৰ কিবাকিবি ভৰালে। মই সেইবোৰ একোৰে উৰাদিহেই নেপালোঁ। আমি আৰু গ্ৰাম্য অঞ্চলত বসবাস কৰা মানুহ, আমিনো সেইবোৰৰ কি ভূ পাওঁ। পিচে ছাৰে লিখা আৰম্ভ কৰিলে ঠিকেই, কিন্তু এচি কোঠাত বহি লিখোঁতে লিখোঁতে চেচুক লাগি তেওঁৰ গল্পৰ উঁহটো ঠেৰেহা মাৰিলে। বাৰে বাৰে তেওঁ নিজে আৰু লোকে ইতিমধ্যে হেজাৰবাৰ লিখা একেখিনি কথাকে পেঘেনিয়াই পেঘেনিয়াই লিখিবলৈ ধৰিলে, আৰু শেষত এনেকৈয়ে কিম্ভূত-কিমাকাৰ ৰূপত আধালিখাকৈ মোক পেলাই থ'লে। মই কাৰো আগত ওলাব নোৱৰা হ'লোঁ। কিন্তু তেওঁ সেইবোৰ নুবুজিলে। তেওঁ বৰ নতুন কিবা এটা কৰা বুলি গপতে গঙাটোপটো হৈ থাকিল। তেওঁ যদি গল্পই লিখে, নিজে কিবা এটা লিখিলেই হয়চোন। মই কিয়? আটায়ে মোকেই কিয় আঁজোৰে? কেওফালে টানোতে টানোতে মই ইকুল সিকুল কোনো কুলেই নোপোৱা হ'লোঁ—গল্পও নহ'লোঁ, সাধুকথাও নৰ'লোঁ। সিহঁতৰ লগত পৰি মোৰ মুখৰ মাত-কথাও তেনেই গুচিল। কেৱল মোৰ বুলিয়েই নহয়, পানেশৈ, কাঞ্চনমতী, চিলনীৰ জীয়েক, আমাৰ আটাইৰে একেই দশা। এইটো গতিত আৰু কেইবছৰমান পাছত আমাক আৰু কোনোবাই বিচাৰি পাব নে নাই নেজানো। এনেও আমাক আজিকালি বিনা গৰজত কোনেও নিবিচাৰেই।

এইবুলি তাই মনে মনে থাকিল। অলপ সময়। তাৰ পাছত ক'লে—আৰু তেওঁ ইমান ইগ'ইষ্ট জানানে কাকো তেওঁৰ লিখাবোৰৰ কথা বেয়াকৈ একো ক'বই নিদিয়ে। (তাই পফেছাৰৰ মূৰৰ ভিতৰত আছিলতো। লিখাৰ আগত। গল্পজনী। গতিকে তেওঁৰ মূৰৰ চব গম পায়— বন্ধুৰে মোক বিজ্ঞৰ সুৰেৰে বুজাই দিলে।) কোনোবাই তেওঁৰ লিখাৰ কিবা সমালোচনা কৰিলে একেবাৰে জাণ্ডুৰ খাই উঠে। কয় বোলে যে সমালোচকবোৰহে হেনো মূৰ্খ। তেওঁৰ লগত সিহঁতৰ লেভেলেই নিমিলে। সমালোচকে তেওঁক তললৈ নমাবলৈ চেষ্টা নকৰি নিজে তেওঁৰ পৰ্য্যায়লৈ উঠিবলৈ চেষ্টা কৰিব লাগে—এনেকুৱা। আৰু কিবা এটা লিখিবলৈ লৈয়েই ভাবে যে বোধহয় অসমীয়া

আৰু ভাৰতীয় সাহিত্যতেই এনে লেখা এয়েই প্ৰথম, যে এইটোৱেই তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ সৃষ্টিৰূপে পৰিগণিত হ'ব, বা এইটো ইংৰাজীলৈ অনুবাদ হ'লেই তেওঁ বিশ্ব সাহিত্যৰ দৰবাৰত ডুখৰি পিৰা এখন হ'লেও লাভ কৰিব—ইত্যাদি। মোৰ ক্ষেত্ৰতো তেওঁ একে কথাই ভাবি আছে। কিন্তু মই তেওঁৰ সপোন পূৰ হ'ব নিদিওঁ। হয় হয়, নিদিওঁ মই তেওঁৰ সপোন পূৰ হ'বলৈ।

এইবুলি কৈ গল্পজনী একদম ৰঙা পৰি গ'ল। খঙত। বন্ধুৱে ক'লে। অলপ সময় তেনেকৈয়ে মনে মনে থাকিল। তাই। আৰু ক'লে। মন-চন মাৰি। সেমেকা সেমেকা মাতেৰে—কেতিয়াবা মোৰ মৰি যাবলৈ মন যায়। ভাব হয় মৃত্যু যেন মোৰ আজন্ম প্ৰেমিক। জানা, দেখাত উত্তৰ-আধুনিকা হ'লেও আমাৰ মনতো পুঞ্জীভূত হৈ আছে আদিগন্ত ক্ষোভৰ লাভা। যেন সকলো আছে, কিন্তু একো যেন নাই। কিবা যেন এক উদ্‌ভ্ৰান্ত, দিগ্‌ভ্ৰান্ত, উন্মনা, উৰণীয়া, ৰিঙা ৰিঙা, পাখিলগা, অভিমানী ভাব এটাই ভৰ কৰিছেহি মন গহনত। যেন, যেন মোৰ জীৱনটো এক ফোঁপোলা জামি দাঁত, যাৰ ভিতৰত...যাৰ ভিতৰত পুঞ্জীভূত হৈ আছে পুতিগন্ধময় দালি-ভাত।

এইবুলি কৈ কান্দিব ধৰিলে। তাই। সঁচাসঁচিকৈ। কান্দি দিলে। গোটেই আখৰবোৰ ক'লাকৈ বৈ গ'ল। কম্পিউটাৰৰ স্ক্ৰীণেৰে। মোৰ বেয়া লাগিল। অপ্ৰস্তুত হৈ গ'লোঁ। মৰ্মন্তুদ। গাভৰু গল্প এজনী দিয়াঁচোন, প্ৰকাশেই হোৱা নাই। মই ৰূমমেটৰ ফালে চালোঁ। ৰূমমেটে পাত্তাই দিয়া নাই। ৰিভলভিং চকী এখনত বহি কিবা এখন পঢ়ি আছে। দুলি দুলি। কম্পিউটাৰটোৰ পোহৰত। মই ভাবিলোঁ পঢ়ক দে। ডিষ্টাৰ্ব নকৰোঁ। পৰীক্ষা আহিলেই। পৰহিলে। কিমান পঢ়িব আৰু বাল্টিত বহি বহি।

শুনা, সেইফালে কি চাই আছা? তোমাৰ প্ৰব্লেম কি? মই কিবা ক'লে পাত্তাই নিদিয়া যে? গল্পজনীয়ে ক'লে। খঙেৰে। মই চক খাই গ'লোঁ। আই এম শ্বক্‌ড্‌। কিন্তু লগে লগে তাই ৰঙা-চিঙা পৰি গ'ল। লাজতে। ক'লে, বেয়া নাপাবা। আজিকালি যে মই ইমান খিংখিঙীয়া হৈ গৈছোঁ, ইমান ৰাফ হৈ গৈছোঁ, আগতে এনেকুৱা নাছিলোঁ। মাহীয়ে বহ বুলি ক'লেই বহি থাকোঁ, কুঁৱাত জাঁপ মাৰ বুলি ক'লেই জাঁপ মাৰি দিওঁ, ঢেঁকীত মূৰটো ভৰাই দে বুলি ক'লেই...। এইবুলি অলপ পৰ মনে মনে থাকিল। তাই। থাকি ক'লে। বিৰবিৰাই—নাই নাই, মই খঙটো কণ্ট্ৰ'ল কৰিব লাগিব। ইমান খং হৈছে মোৰ। এতিয়া সেই প্ৰশ্ন-চোৰটোক দেখিয়েই মোৰ ফচ্‌কৈ খঙটো উঠি গ'ল।

এইবুলি ক'লে তাই। আৰু হুমুনিয়াহ এটা পেলালে। তাৰ পাছত ক'লে। হিৰ'-হিৰ'ইনবোৰৰ নিচিনাকৈ, আমাৰ চিনেমা-উপন্যাসৰ—এনে জীৱনৰ প্ৰয়োজনীয়তাই বা কি। যেন অনিশ্চয়তা আৰু অৰ্থহীনতাৰ দোমোজাত দোদুল্যমান মকৰাজালৰ সূতাৰে মামীকৃত পতঙ্গৰ শুষ্ক এটি দেহ মই। হতাশাৰ এই অতল বটলৰপৰা কোনে মোক উদ্ধাৰ কৰিব? মোৰ অসহায় আৰ্তনাদ এই তামস গহ্বৰৰ পাষাণ দেৱালত ঠেকা খাই বাৰে বাৰে প্ৰতিধ্বনিত হৈছে হৈছে হৈছে। মইতো কাৰো দাসী নহয়। গল্পতো গল্পকাৰৰ দাসী নহয়। তেন্তে কিয় এই কাৰাযন্ত্ৰণা? কিয় কিয় কিয়?

কিন্তু সেয়া কি? ৰিণিকি ৰিণিকি সৌৱা কোন মুক্তিদূতৰ প্ৰত্যয়পূৰ্ণ পদশব্দ শুনিছোঁ মই? কোন সেয়া? কিন্তু এয়া কি? মোৰ সেই মুক্তিদূত যে তুমিয়েই, হয় হয়। তুমিয়েই সেই ৰামচন্দ্ৰ, যাৰ মাউচৰ এটি ক্লীকত পাঠৰ পাথৰত বন্দী মই অহল্যাই আজি মুক্তি লাভ কৰিম। হয় হয়, মই অহল্যা। হয় হয়, মই দ্ৰৌপদী, মই দামিনী, মই বকুল বনত জোনাক যামিনী।

মই এক্কোৰেই পাত্তা পোৱা নাছিলোঁ। তাই কি গাই আছে। মোৰ ঘূৰি গ'ল। মাথা-ছাথা। উৰি গ'ল চব, পৰীক্ষা বুলি যি অলপ পঢ়িছিলোঁ। চব ফৰমেট হৈ গ'ল। মই কিবা কোৱা আগতে তায়েই ক'লে—মই তোমাৰ পৰা এটা ফেইভাৰ বিচাৰোঁ। তুমি মোক পাঠোদ্ধাৰ কৰা, এই পাঠ-পোতাশালৰ পৰা তুমি মোক ৰক্ষা কৰা, মুক্তি দিয়াঁ তুমি মোক এই অনাকাঙ্খিত বজ্ৰশব্দপদশৃংখলৰ পৰা, অন্ত পেলোৱাঁ হে মোৰ এই গণ্ডীৱদ্ধ গল্পাৱতাৰৰ। তুমি মোক মাৰ্চি কিলিং কৰা।

মই আচৰিত হৈ গ'লোঁ। চাৰপ্ৰাইজড্। ৰূমমেটৰ ফালে চালোঁ। সি টেবুলত মূৰ থৈ শুই আছিল। তাক জগাই দি সুধিলোঁ। কি কৰোঁ? গল্পজনীক?

উৰাই দে। সি ৰঙা চকুৰে মোলৈ চাই ক'লে। ডিলিট মাৰি দে।

ডি ডিলিট? মই হতভম্ব, হতবাক।

ওঁ, ডিলিট মাৰি দে। ক'লে। সি। ৰূমমেটে। তাই নিজেই কৈছে দেখোন। মাৰ্চি কিলিং মানে কি? সেইটোৱেই। এনেও তাইক এৰি দিয়াটো চেইফ নহয়। আমি পে'পাৰ বিচাৰি অহাটো তাই গম পাইছে। এইচব পষ্ট মডাৰ্ণ গল্পৰ ওপৰত বিশ্বাস নাই। বৰ বেয়া বস্তু। বাহিৰত এটা ভিতৰত এটা।

এইবুলি বন্ধুৰ ৰূমমেটে ঢলং-পলংকৈ কম্পিউটাৰটোৰ ফালে উঠি আহিল। চাওঁ [redacted], চব ফৰ্মেট মাৰি দিওঁ। বন্ধুৰ ৰূমমেটে ভদ্ৰ সমাজৰ শ্ৰৱণ ও দৰ্শননোপযোগী শব্দ এটা উচ্চাৰণ কৰি ক'লে। কি মক্কেল বুঢ়া বে

কম্পিউটাৰডালত কুৱেচ্চন পেপাৰ এখনো নাই। কি কৰিব ৰাখিছে এইডাল? ইউ.জি.চি.ৰ পইচা বৰ্বাদ কৰিছে মিছামিছি।

বন্ধুৱে ৰুমমেটক ধমকিৰ সুৰেৰে ক'লে—ধেই, বেয়া কথা নক'বি, পাঠকে বেয়া পাব।

পাঠক? বন্ধুৰ ৰুমমেটে আচৰিত হৈ বন্ধুক ক'লে। কোন পাঠক বে [redacted]? আমাৰ নয়ন পাঠক? গুলী মাৰ [redacted] পাঠকক। সি পাঠকক [redacted] মই কি কেয়াৰ কৰোঁ?

তাৰ পাছত আহিলোঁ। আমি। ৰুমলৈ।

বন্ধুৱে এইখিনিতে তেওঁৰ কাহিনীৰ মোখনি মাৰিলে।

আৰু তোমাৰ ৰুমমেট? তাৰ পৰীক্ষা কি হ'ল? মই চিন্তিত হৈ সুধিলোঁ।

সি পাছ। ফাৰ্ষ্ট ক্লাছ ছেকেণ্ড। ৰাৱণৰ টিউচনৰ নোটছ্ পঢ়ি। এতিয়া পফেছৰ। কোনোবা কলেজৰ। এছিষ্টেণ্ট। ভালেই। পাৰ্মানেণ্ট নহয়। নেট নাই।

আৰু গল্পকাৰ? তেওঁ একো গম নাপালে?

পালে। কিন্তু আইডেণ্টিফাই নহ'ল। কালপ্ৰিট। চাকৰি গ'ল। গাৰ্ড এটাৰ।

মই বন্ধুক ভয়ে ভয়ে সুধিলোঁ—মই এইখিনি লিখিব পাৰিমনে? মানে তুমি যদি নিলিখা?


কোনখিনি? বন্ধুৱে আচৰিত হৈ সুধিলে।

মানে তুমি, তোমাৰ বন্ধুৰ আৰু গল্পটো...জনীৰ কথাখিনি। মই ভয়ে ভয়ে ক'লোঁ। ময়ো মানে বহুদিনৰপৰা এনেকুৱা তেজীমলীয়া গল্প এটা লিখিম বুলি ভাবি আছিলোঁ। কিন্তু ভাল আইডিয়া পোৱা নাছিলোঁ। মানে তুমি যদি নিলিখা আৰু, তেতিয়াহে। নহ'লে...।

লিখা, লিখা। মই ক'ত লিখিম। ক্লাছ ল'বই টাইম নাপাওঁ। কলেজত। মেজৰৰ। বন্ধুৱে হামি এটা মাৰি ক'লে। চাহ একাপহে খাব লাগিছিল। শুকাই গৈছে। ডিঙি।

মই বন্ধুৰপৰা শুনা কথাখিনিকে গল্প হিচাবে লিখিলোঁ। কিন্তু আজিলৈকে সেইটো কোনেও নছপালে। এতিয়াও ইয়াতে এনেকৈ পৰি আছে আৰু...

# গল্প আর গল্প



সংকলন
২০১৪

Orchid